১৪ মে', ২০২৪ মঙলবাৰ, গুৱাহাটী

# কলাক্ষেত্ৰত 'কাৰেঙৰ লিগিৰী'

**'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ১৩ মে' ঃ** গুৱাহাটীৰ দিশপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সহযোগত শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দেওবাৰে সন্ধিয়া ৬ বজাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বহু সমাদৃত 'কাৰেঙৰ লিগিৰী' নাটখন প্ৰদৰ্শন কৰা হয়। দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ নেতৃত্বত বিশিষ্ট নাট পৰিচালক মাণিক আহমেদৰ দ্বাৰা পৰিচালিত আৰু জ্যেষ্ঠ অভিনেতা অমিতাভ ৰাজখোৱা আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অভিনীত এই নাটসন্ধিয়াৰ উদ্বোধন কৰে শিক্ষা মন্ত্ৰী ডাঃ ৰনোজ পেগুৱে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ পৰাগ শংকৰ হাজৰিকাই আতঁধৰা নাট্যানুষ্ঠানটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ননীগোপাল মহন্ত, সাহিত্য-সংস্কৃতিৰ সাধক পণ্ডিত পোনা মহন্তৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। দিশপুৰ মহাবিদ্যালয়ৰ সংগীত আৰু বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা নাট সন্ধিয়াৰ উদ্বোধনী বক্তব্যত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নৱজ্যোতি বৰাই কয় যে ছাত্ৰ-ছাত্ৰীক পুঁথিগত শিক্ষাৰ মাজতে আবদ্ধ নাৰাখি কলা, সংস্কৃতি, ক্ৰীড়াৰ মাজেৰে সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে অহৰহ চেষ্টা কৰাই দিশপুৰ মহাবিদ্যালয়ৰ উদ্দেশ্য শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগুৱে মহাবিদ্যালয়ে লোৱা এনে প্ৰদক্ষেপক প্ৰশংসা জনাই কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ভাৰতীয় জ্ঞান পৰম্পৰা সহিতে চৌষষ্ঠী কলাক শিক্ষাৰ অংগ কৰিবলৈ চেষ্টা কৰিছে। নাটসন্ধিয়াৰ লগত সংগতি ৰাখি 'কাৰেঙৰ লিগিৰী' নামৰ এখনি স্মৰণিকা উন্মোচন কৰে অধ্যাপক ড° ননীগোপাল মহন্তই।